# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 20-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

০০০০

১। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ তৃতীয় দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা।

২। ২০২৫-২৬ বৰ্ষত ২৫০ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিধানসভাত ঘোষণা।

৩। কাইলৈৰ পৰা সৰুসজাইত ঝুমইৰ বিনন্দিনীৰ আখৰা অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তৰ আক্ৰমণৰ পাছতে সাংসদগৰাকীৰ নিৰাপত্তা বৃদ্ধি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। আক্ৰমণৰ ঘটনাক অসম প্ৰদেশ কংগ্ৰেছৰ গৰিহণা।

**আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ আজি ডুবাইত অনুষ্ঠিত খেলত ভাৰতক জয়ৰ বাবে বাংলাদেশৰ ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয় দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আলোচনাত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে কোকৰাঝাৰত অনুষ্ঠিত অধিৱেশনে অখণ্ডিত অসমৰ বাৰ্তা দিছে আৰু এই অধিৱেশনে সমাগত ৫০ বছৰলৈ অসমত বিভাজনৰ আন্দোলন নহয় বুলি প্ৰমাণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদামৰ প্ৰসংগ উল্লেখ কৰি কয়, যে মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো অন্যতম সফলতা বুলি তেওঁ মন্তব্য কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ জৰিয়তে অসমীয়া ভাষাক লৈ চলা দীৰ্ঘদিনীয়া যুঁজৰ অৱসান ঘটিল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰাক উপত্যকাৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানসিক দূৰত্ব ক্ৰমাৎ হ্ৰাস পাইছে। কাছাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি স্থাপনে বৰাক উপত্যকাৰ সৈতে থকা দূৰত্ব হ্ৰাস কৰিছে বুলি তেওঁ মন্তব্য কৰে। এডভাণ্টেজ আছামৰ জৰিয়তে অৰ্থনৈতিকভাৱে অসম উপকৃত হোৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বাৰাউনীৰ পৰা নুমলিগড় শোধনাগাৰলৈ ৯ মিলিয়ন খাৰুৱা তেল অহাটো এডভাণ্টেজ আছামৰ ফচল। অসমত প্ৰসূতিৰ

মৃত্যুৰ হাৰ হ্ৰাস আৰু বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ইতিবাচক প্ৰভাৱ পেলাব বুলি তেওঁ মন্তব্য কৰে। বাল্য বিবাহ প্ৰতিৰোধৰ সুফল পৰৱৰ্তী ১০ বছৰত অসমে লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণত তেওঁ লগতে কয়, যে ১০ মাৰ্চত দাখিল হ'বলগীয়া বাজেটত আত্মবিশ্বাসৰ প্ৰতিফলন ঘটিব।

চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনে বৰপেটা আৰক্ষীৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰে। বিধায়ক হুছেইনৰ অভিযোগ গুৰুত্ব সহকাৰে লৈ তেওঁ এই ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়ে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিত সিঙক বৰপেটা আৰক্ষীৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰে ২০২৫-২৬ বৰ্ষত ২৫০ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিধানসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে উচ্চ প্ৰাথমিক বিদ্যালয়সমূহকো এই শৈক্ষিক বৰ্ষতে উচ্চ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰ বাবে প্ৰায় দুহেজাৰ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছে। ডাঃ পেগুৱে চৰ অঞ্চল হিচাপে কোনো অঞ্চল নাই বুলি উল্লেখ কৰি কয়, যে খহনীয়া নোহোৱা স্থায়ী নৈপৰীয়া অঞ্চলসমূহত বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰা হ'ব। শিক্ষামন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰোধিতা কৰি বিৰোধী পক্ষৰ সদস্যসকলে চৰ অঞ্চল নথকা সত্তেও কিয় চৰ অঞ্চল উন্নয়ন পৰিষদ গঠন কৰা হৈছিল বুলি প্ৰশ্ন উত্থাপন কৰে। শিক্ষকবিহীন বিদ্যালয় আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ সন্দৰ্ভত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত ডাঃ পেগুৱে কয়, যে ৰাজ্যত বৰ্তমান ৩ খন শিক্ষকবিহীন বিদ্যালয় আৰু দুহেজাৰ ২৯৫ খন এজনীয়া শিক্ষকৰ বিদ্যালয় আছে। বিধায়ক গগৈয়ে শিক্ষা ব্যৱস্থাৰ উন্নয়নত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ ৭ হাজাৰৰো অধিক বিদ্যালয়ত এতিয়াও স্থায়ী শিক্ষক নাই বুলিও অভিযোগ কৰে।

০০০০

ৰাজ্যৰ স্বাস্থ্য বিভাগে শীঘ্ৰে চিকিৎসালয়সমূহত স্থায়ী চিকিৎসক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিব। স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে আজি অসম বিধানসভাৰ শূন্যকালত এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেঁও কয়, যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহকে ধৰি চিকিৎসালয়সমূহত প্ৰায় এহেজাৰ ছশ চিকিৎসকৰ পদ খালী হ'ব। এই পদসমূহ পূৰণ কৰিলে জনসাধাৰণে চিকিৎসালয়সমূহত পৰ্যাপ্ত চিকিৎসক লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক ডাঃ আছিফ নাজাৰৰ নগাওঁৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত ঔষধ আৰু সা-সুবিধা মজুত আছেনে নাই বুলি উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহালে কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, আৰু আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত পৰ্যাপ্ত পৰিমাণে ঔষধ মজুত কৰি ৰখাটো নিশ্চিত কৰা হৈছে। প্ৰতিখন জিলা চিকিৎসালয়ত ২৭২ বিধ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত ১২৫ বিধ আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত ৩৩ বিধ ঔষধ মজুত ৰখাৰ বাবে স্বাস্থ্য বিভাগৰ নিৰ্দেশনা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰায় প্ৰতিখন চিকিৎসালয়তে উল্লেখ কৰা পৰিমাণৰ ঔষধ মজুত ৰখাৰ চেষ্টা কৰা হৈছে। ৰাজ্য চৰকাৰে চিকিৎসালয়সমূহত জেনেৰিক ঔষধহে প্ৰদানৰ ব্যৱস্থা কৰি

আহিছে  বুলি উল্লেখ কৰি চিকিৎসকসকলকো নিদান পত্ৰত জেনেৰিক ঔষধৰহে পৰামৰ্শ দিবলৈ কোৱা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

পৰিৱৰ্তিত জীৱনশৈলীৰ বাবে বাঢ়ি অহা মানসিক চাপ আৰু আত্মহত্যাৰ দৰে নেতিবাচক প্ৰৱণতা দূৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিদ্যালয় পৰ্য্যায়ৰ পৰা নিয়মিতভাৱে কাউঞ্চেলিং বা পৰামৰ্শদানৰ ব্যৱস্থা কৰিব। বিধায়ক মৃনাল শইকীয়াই ৰাজ্যত আত্মহত্যাৰ ঘটনা বৃদ্ধি পোৱা বুলি স্বাস্থ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰাৰ পাছত স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনত সংঘটিত ৫৭ শতাংশ আত্মহত্যাৰ ঘটনাৰ ভিতৰত পাৰিবাৰিক কাৰণত ৩৫ শতাংশ, প্ৰেমজনিত কাৰণত ১০ শতাংশ আৰু স্বামী স্ত্ৰী কন্দলজনিত ঘটনাত ১২ শতাংশ ঘটনা সংঘটিত হয়। ইয়াৰ উপৰি পৰীক্ষাজনিত মানসিক চাপৰ বাবে এক শতাংশ এনে ঘটনা সংঘটিত হয় বুলি তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে বিদ্যালয়সমূহত ইতিমধ্যে কাউন্সেলিঙৰ ব্যৱস্থা কৰিছে যদিও বহুলভাৱে এই ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ শিক্ষা বিভাগৰ সৈতে আলোচনা কৰি আঁচনি যুগুত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত এইকথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে ২৫ ফেব্ৰুৱাৰীত বিনিয়োগ সন্মিলনখন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ঝুমুৰ নৃত্য উপভোগ কৰাৰ পাছত সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীত উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সংবাদমেলত ড০ শৰ্মাই কয়, যে কাইলৈৰ পৰা তিনিদিনৰ বাবে সৰুসজাইত ঝুমুৰৰ আখৰা অনুষ্ঠিত হ'ব। আখৰাৰ বাবে ইতিমধ্যে বিভিন্ন জিলাৰ পৰা অহা শিল্পীৰ দল গুৱাহাটীত উপস্থিত হৈছে। ২৩ ফেব্ৰুৱাৰীৰ সন্ধিয়া ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ঝুমুৰৰ অন্তিম আখৰা চাবলৈ সাধাৰণ লোকক অনুমতি দিয়া হৈছে। ইয়াৰ বাবে কোনো প্ৰৱেশ পত্ৰৰ প্ৰয়োজন নহয় বুলি তেওঁ মন্তব্য কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰৰ নেতৃত্বত ৫১ খন দেশৰ ৰাষ্ট্ৰদূতৰ প্ৰতিনিধি কাজিৰঙালৈ আহিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ২৩ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰদূতৰ প্ৰতিনিধিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ লগতে ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনী অনুষ্ঠানত উপস্থিত থাকিব। ৰাষ্ট্ৰদূতৰ প্ৰতিনিধিসকলে এডভাণ্টেজ আছামৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব।

**বাইট (চি এম)**

অষ্ট্ৰেলিয়াৰ পৰ্যটকসকল অহাৰ ক্ষেত্ৰত যি বাধা আছিল সেয়া আঁতৰিল উল্লেখ কৰি বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে অষ্ট্ৰেলিয়াৰ পৰ্যটকসকলক তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বাহিৰে ৰাজ্যখনৰ যিকোনো স্থানতে যোৱাৰ বাবে অনুমতি দিয়া হৈছে। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অসমৰ দুগৰাকী উদ্যোগপতি অভিজিৎ বৰুৱা আৰু অনুপম ডেকাই ভাষণ দিয়াৰ সুযোগ লাভ কৰিছে।

০০০০

ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে চৰাইদেউ জিলাৰ পৰা শিল্পীৰ দল ৰাওনা হৈছে। আজি পুৱা মৰাণ মহাবিদ্যালয় আৰু সোণাৰি ৰাজহুৱা খেলপথাৰৰ পৰা শিল্পীৰ দলটো বাছযোগে গুৱাহাটীলৈ ৰাওনা হয়। এই উপলক্ষে জিলা আয়ুক্ত ডাঃ নেহা যাদৱে অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। ৰাজ্যৰ আন আন জিলাৰ লগতে যোৰহাট আৰু বিশ্বনাথৰ পৰাও ঝুমুৰ নৃত্যশিল্পীৰ দল গুৱাহাটীলৈ ৰাওনা হৈছে। যোৰহাট জিলাৰ পৰা মুঠ ৮২৫ গৰাকী নৃত্যশিল্পী ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ পৰা বাছযোগে অহা যোৰহাটৰ দলটো গুৱাহাটীলৈ ৰাওনা উপস্থিত হৈছে। আজি পুৱা যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে ফ্লেগ অফ কৰি নৃত্যশিল্পীসকলক শুভেচ্ছা জ্ঞাপন কৰে। লখিমপুৰ জিলাৰ পৰা মুঠ ১৩১ গৰাকী নৃত্যশিল্পী নাৰায়ণপুৰৰ পৰা গুৱাহাটীলৈ ৰাওনা হৈছে।

০০০০

ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ দেহৰক্ষীক আজি নগাঁৱৰ ৰূপহীহাটত এখন দলীয় সভাত অংশগ্ৰহণ কৰিবলৈ যোৱা অৱস্থাত একাংশ দুৰ্বৃত্তই শাৰিৰীকভাৱে অপদস্থ কৰে। আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়। আক্ৰমণৰ ঘটনাৰ পাছতে সাংসদজনৰ নিৰাপত্তা বৃদ্ধি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰা, সাংসদ গৌৰৱ গগৈ, বিৰোধী দলপতি দেবব্ৰত শইকীয়াৰ লগতে বিভিন্ন দল-সংগঠনে  এই ঘটনাৰ গৰিহনা দিয়ে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি বৰাই এই ঘটনাৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ বিভাগক জগৰীয়া কৰি কয়, যে এই ঘটনাই গৃহ বিভাগৰ ব্যৰ্থতাক উদঙাই দিছে।

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ অধীনৰ লামডিং-ডিব্ৰুগড় সংযোগী ৰেলপথৰ বৈদ্যুতিকৰণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু শিমলুগুৰি ডিব্ৰুগড় খণ্ডৰ ৰেলৱে বৈদ্যুতিকৰণ প্ৰকল্পৰ কাম দ্ৰুত গতিত আগবাঢ়িছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এই কথা প্ৰকাশ কৰিছে। যোৱা ৩১ জানুৱাৰীত মৰিয়নি-শিমলুগুৰি-ডিব্ৰুগড় খণ্ডৰ বাবে বৈদ্যুতিক লোকোম'টিভৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰা হয় বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰিছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মুখ্য বৈদ্যুতিক অভিযন্তাই কালি আৰু আজি এই সমগ্ৰ খণ্ডটোত চলি থকা বৈদ্যুতিকৰণৰ কাম-কাজ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে এই ৰেল কৰিড'ৰৰ বৈদ্যুতিকৰণে পৰিচালন দক্ষতা বৃদ্ধি কৰাৰ লগতে ডিজেলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি কাৰ্বনৰ নিৰ্গমন হ্ৰাস কৰিব। এই বৈদ্যুতিকৰণ প্ৰকল্পৰ সফল ৰূপায়ণে উত্তৰ পূৰ্বাঞ্চলৰ ৰেলৱে আন্তঃগাথনি উন্নীতকৰণত বিশেষ ভূমিকা পালন কৰিব  বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

অসম চৰকাৰে ই-ষ্টাম্পসমূহত আৰোপ কৰা সেৱাকৰ আৰু জি এছ টিসহ এই ষ্টাম্পসমূহ স্বীকৃত কেন্দ্ৰৰ পৰাহে ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এটা বিবৃতিযোগে এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুসৰি ৫০ টকা পৰ্যন্ত ষ্টাম্পত অতিৰিক্ত দহ টকা, ৯৯ টকা পৰ্যন্ত ১৫, ৯৯ৰ পৰা ৪৯৯ টকা পৰ্যন্ত ২০ আৰু ৪৯৯ৰ পৰা এহেজাৰ টকা পৰ্যন্ত ষ্টাম্পত ৩০ টকাকৈ মাচুল

দিব লাগিব। একেদৰে এহেজাৰৰ পৰা ৯ হেজাৰ ৯৯৯ টকালৈ ৫০ টকা আৰু ৯ হাজাৰ ৯৯৯ টকাতকৈ অধিক মূল্যৰ ষ্টাম্পত এশ টকাকৈ আদায় দিব লাগিব বুলি বিবৃতিটোত কোৱা হৈছে।

০০০০

বিজেপি নেত্ৰী ৰেখা গুপ্তাই আজি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত শালিমাৰবাগ সমষ্টিৰ পৰা জয়লাভ কৰা নেত্ৰীগৰাকীয়ে নতুন দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত লয়। উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই শ্ৰীমতী গুপ্তাক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পূৰ্বে কালি বিয়লি দিল্লী বিজেপিৰ বিধায়িনী দলৰ নেত্ৰী হিচাপে বাছনি লাভ কৰাৰ পাছত তেওঁ উপ-ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ বাবে দাবী জনায়। সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশীৰ পাছতে ৰেখা গুপ্তা হৈছে দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে আজি ৬ গৰাকী কেবিনেট মন্ত্ৰী পাৰভেজ চাহিব সিং, আশীষ সুদ, মনজিন্দৰ সিং চিৰছা, ৰবিন্দৰ ইন্দ্ৰজ সিং, কপিল মিশ্ৰা আৰু পংকজ কুমাৰ সিঙেও শপত গ্ৰহণ কৰে।

আজিৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ উপৰি প্ৰায় ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসহ বিজেপিৰ বহুকেইগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০

বিশিষ্ট কথাশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা, নাট্যকাৰ, পৰিচালক ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি কথাশিল্পীগৰাকীৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। সুক্ষ্ম অনুভূতি সম্পন্ন ৰচনাৰে পঢ়ুৱৈৰ চেতনাক স্পন্দিত কৰা শইকীয়াই কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, শিশু সাহিত্য আৰু আত্মজীৱনীৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে। প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা শইকীয়াৰ পৰিচালিত ৮ খন চলচ্চিত্ৰৰ আটাইকেইখনেই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰে সন্মানিত হৈছে। নাট্য পৰিচালনাৰ ক্ষেত্ৰত যশস্যা অৰ্জন কৰা সাহিত্যিকগৰাকীয়ে আকাশবাণীৰ বাবে নাটক ৰচনাৰ লগতে ভ্ৰাম্যমানৰ বাবে ২৭ খন নাটক ৰচনা আৰু কেইবাখনো পৰিচালনা কৰি সুখ্যাতি অৰ্জন কৰি গৈছে। ১৯৭৬ চনত তেওঁ সাহিত্য একাডেমী, ১৯৯০ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰাৰ উপৰি পদ্মশ্ৰী সন্মানেৰেও সন্মানিত হৈছিল।

ভবেন্দ্ৰ নাথ শইকীয়া শিশু কল্যাণ ন্যাসৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ৰূপম ভূঞাক ডঃ ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণি বঁটা প্ৰদান কৰা হয়। আজি অভিমুখ নাট্যগোষ্ঠীয়ে ৰঘুনাথ নামৰ এখন নাটকো পৰিবেশন কৰিছে। কাইলৈ সন্ধিয়া চাৰে ছয় বজাত একেটা প্ৰেক্ষাগৃহত মুম্বাইৰ নাট্যম গোষ্ঠীয়ে ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ বিখ্যাত নাটক শতাব্দি পৰিবেশন কৰিব।

০০০০

গোৱালপাৰা জিলাৰ মৰনৈ থানাৰ অন্তৰ্গত বৰজুলিত আজি আৰক্ষীয়ে অভিযান চলাই নিচাযুক্ত সামগ্ৰী জব্দ কৰে। অভিযানত আৰক্ষীয়ে নিষিদ্ধ কফ ছিৰাপৰ বটলসহ দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে আটক কৰা দুয়োজনক জেৰা অব্যাহত ৰাখিছে।

০০০০

মৰিগাঁও জিলাৰ কপিলী শিক্ষাখণ্ডৰ জালুগুটিত থকা খণ্ড সমল কেন্দ্ৰত আজি ১০৮ গৰাকী দিব্যাংগ শিশুৰ মাজত হুইলচেয়াৰৰ লগতে আন সঁজুলি বিতৰণ কৰা হয়। মৰিগাঁৱৰ অতিৰিক্ত শিক্ষা আয়ুক্ত অনুসূয়া শৰ্মাই এই বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, মৰিগাঁও জিলা আঁচনি বিষয়া লক্ষ্মীনন্দন শইকীয়াকে ধৰি বহুকেইজন সমল ব্যক্তি উপস্থিত থাকে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিবলগীয়া দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ একাংশ অভিনেতা-অভিনেত্ৰী, পৰিচালক আৰু কলা-কুশলীৰ সৈতে মত বিনিময়ৰ** এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা আজি ডুবাইত অনুষ্ঠিত খেলত বাংলাদেশে ভাৰতক জয়ৰ বাবে ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱা বাংলাদেশৰ দলটো ২২৮ ৰাণত সকলো উইকেট হেৰুৱায়। দলৰ হৈ তৌহিদ হৃদয়ে সৰ্বাধিক ১০০ ৰাণ আৰু জাকিৰ আলীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ শ্বামীয়ে ৫টা, হৰ্ষিত ৰাণাই ৩টা আৰু অক্ষৰ পেটেলে দুটা উইকেট দখল কৰে।

০০০০

সমাপ্ত